অধ্যায় ১১ ঃ যাজ্ঞৱল্ক্যস্মৃতি ঃ ব্যৱহাৰ-অধ্যায় ঃ দায়ভাগপ্ৰকৰণ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ দায়ভাগ ঃ মূলপাঠ (২৫ টা শ্লোক)

১১.৪ দায়ভাগ ঃ সংক্ষিপ্ত আলোচনা

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্ৰগতিৰ খতিয়ান

১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাচীন ভাৰতীয় বিচাৰ প্ৰক্ৰিয়াৰ লগত চিনাকি হ'ব পাৰিব
- বিবাদৰ বিষয় হিচাপে দায়ভাগৰ লগত পৰিচয় হ'ব
- 'দায়' তথা 'ভাগ' সম্পৰ্কে অবগত হ'ব পাৰিব
- পিতৃ সম্পত্তিৰ বিভাজন সম্বন্ধে জানিব পাৰিব
- পত্নী, পুত্ৰ, দুহিতৃয়ে কি ভাৱে দায়ভাগ পাব, জানিব পাৰিব
- পুত্ৰৰ প্ৰকাৰ, স্ত্ৰীধন, সংসৃষ্টি আদিৰ লগত চিনাকি হ'ব পাৰিব।

১১.২ পৰিচয়

আচাৰ্য যাজ্ঞৱল্ক্য প্ৰণীত 'যাজ্ঞৱল্ক্যসংহিতা'ত তিনিটা অধ্যায় আছে— আচাৰ, ব্যৱহাৰ তথা প্ৰায়শ্চিত্য অধ্যায়। ইয়াৰে দ্বিতীয় অধ্যায়টো হৈছে ব্যৱহাৰ অধ্যায়। ইয়াত 'ব্যৱহাৰ' মানে হৈছে বিচাৰ প্ৰক্ৰিয়া বা বিচাৰ পদ্ধতি (Judicial Procedure)। ব্যৱহাৰ অধ্যায়ত যাজ্ঞৱল্ক্যই ২০টা ব্যৱহাৰ পদ আৰু বিবাদৰ বিষয় (title of the suit) আলোচনা কৰিছে। এই ব্যৱহাৰ এটা প্ৰমুখ পদ হৈছে— দায়ভাগ (Partitionand inharitance)।

'দায়' মানে হৈছে সেই সম্পত্তি যাৰ ধন স্বামীৰ সৈতে সম্বন্ধযুক্ত আন ব্যক্তিৰ নিজৰ হৈ যায়। আচাৰ্য্য নাৰদৰ মতে 'দায়' মানে হৈছে পৈত্ৰিক সম্পত্তি তথা 'ভাগ' মানে হৈছে বিভাজন। পুত্ৰসকলৰ মাজত যেতিয়া পৈত্ৰিক সম্পত্তিৰ বিভাজন কৰা হয়, সেয়াই 'দায়ভাগ'। ই এটা অতি স্পৰ্শকাতৰ বিষয় তথা বিবাদৰ বিষয়।

এই প্ৰকৰণটোত যাজ্ঞৱল্ক্যই দায়ৰ স্বৰূপ, দায়ৰ বিভাগ, দায়বিভাগৰ কাল, বিভাগৰ

কর্তা, বিবাদৰ প্রক্রিয়া সম্বন্ধে বিস্তাৰিত আলোচনা আগবঢ়াইছে। কোনবিলাক পুত্রৰ দায়ত অধিকাৰ, কাৰ নাই, অপুত্রক পিতৃৰ ধন কোনে লাভ কৰিব, স্ত্রীধন, পুত্রৰ বিভাগ, আদি বিষয়সমূহৰ বিৱৰণো এই প্রকৰণটোত পোৱা যায়।

এই অধ্যায়টি পঢ়ি আপুনি দায়ভাগৰ বিষয়ে বিস্তৃত জ্ঞান লাভ কৰিব। বর্তমান প্রচলিত নিয়মৰ লগত সেই নিয়মসমূহৰো সামঞ্জস্য আপুনি মিলাই ল'ব পাৰিব। এই প্রকৰণটোত মুঠ ৩৬টা শ্লোক আছে। এই অধ্যায়টোত ২৫টা শ্লোক আলোচনা কৰা হৈছে।

১১.৩ দায়ভাগ (Divisions of Property) মূলপাঠ (২৫ টা শ্লোক)

বিবাদৰ বিষয়সমূহৰ ভিতৰত দায়ভাগ অন্যতম। যাজ্ঞৱল্ক্যই ২০টা ব্যৱহাৰ পদৰ ভিতৰত দায়ভাগক অন্যতমৰূপে গণ্য কৰি তাৰ বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। 'দায়' এটি পাৰিভাষিক শব্দ। দায় মানে হৈছে ধন, যি ধন ধনস্বামীৰ লগত সম্বন্ধবশতঃ অন্য ব্যক্তিৰ নিজস্ব হয় (আন ব্যক্তিৰ সেই ধনৰ ওপৰত স্বত্ব উৎপন্ন হয়) (দায়শব্দেন যদ্ ধনং স্বামিসম্বন্ধাদ্ এর নিমিত্তাদ্ অন্যস্য স্বং ভৱতি তদুচ্যতে।)

এই দায় দুই প্রকাৰৰ— অপ্রতিবন্ধ আৰু সপ্রতিবন্ধ। পুত্রই পুত্রত্বহেতু পিতৃৰ ধন লাভ কৰে তথা পৌত্র অর্থাৎ নাতিয়ে পৌত্রত্বহেতু পিতামহৰ ধন লাভ কৰে। এই দায়কে কোৱা হয় অপ্রতিবন্ধ দায়। পুত্রৰ অভাবত বা ধনস্বামীৰ অভাবত পিতৃব্য ভ্রাতা (খুড়াৰ ল'ৰা) আদি পুত্রসকলেও যি ধন পায়, তাকেই সপ্রতিবন্ধদায় বুলি কোৱা হৈছে। বিভাগ শব্দৰ অর্থ হৈছে ধন ভাগ কৰি দিয়া। যি ধনসমূহত বহু ব্যক্তিৰ স্বত্ব আছিল, তাক পৃথকে পৃথকে ভাগ কৰি দিয়াই হৈছে বিভাগ।

এই ধন কোনসময়ত কাৰ লগত কেনেধৰণে বিভাজিত কৰা হ'ব, তাৰেই ব্যাখ্যা ইয়াত আগবঢ়োৱা হৈছে।

মূলপাঠ ঃ বিভাগং চেৎ পিতা কুর্যাদ্ ইচ্ছয়া বিভজেৎ সুতান্।
জ্যেষ্ঠং ৱা শ্রেষ্ঠভগেন সর্ৱে ৱা স্যুঃ সমাংশিনঃ।।১।।

অসমীয়া অনুবাদ ঃ পিতৃয়ে যদি ধন বিভাগ কৰিবলৈ ইচ্ছুক, তেনেহ'লে ইচ্ছা অনুসৰি পুত্র বা পুত্রসকলক নিজ সম্পত্তি ভাগ কৰি দিব। (যিহেতু পিতাৰ ইচ্ছা নির্বাধ, সেয়েহে কাক কি পৰিমাণৰ ধন দিব, সেই বিষয়ে কোনো নিয়ম নথকাই স্বাভাৱিক। তথাপি যাজ্ঞৱল্ক্যই এই বিষয়ে কিছু নিয়ম উল্লেখ কৰিছে।) পিতাই তেওঁৰ জ্যেষ্ঠ পুত্রক শ্রেষ্ঠভাগ দিব, মধ্যম পুত্রক মধ্যভাগ তথা কনিষ্ঠ পুত্রক কনিষ্ঠভাগ দিব পাৰে। অথবা সকলো পুত্রকে সমানে ভাগ কৰি দিবও পাৰে।

আচার্য্য মনুৱে এই শ্রেষ্ঠ ভাগ আদিৰ বিষয়ে এনেদৰে কৈছে— অবিভক্ত সাধাৰণ ধনৰ বিংশতিতম অংশ (20th) 'উদ্ধৃত' কৰি জ্যেষ্ঠ পুত্রক দিয়া উচিত। তাৰোপৰি সকলোবোৰ দ্রব্যৰ মাজত যিটো শ্রেষ্ঠ সেইটো জ্যেষ্ঠজনে পাব। মধ্যম পুত্রই পাব চল্লিশ ভাগৰ এক ভাগ আৰু কনিষ্ঠ পুত্রই

পাব আশীভাগৰ এক ভাগ।

মূলভাগ ঃ যদি কুর্য্যাৎ সমানংশান্ পত্ন্যঃ কার্য্যাঃ সমাংশিকাঃ।
ন দত্তং স্ত্রীধনং যাসাং ভর্ত্রা যা শ্বশুৱেণ বা ।। ২।।

অসমীয়া অনুবাদ ঃ পিতাৰ ইচ্ছা অনুসৰি যি বিভাগ হয়, সেই বিভাগ দুই প্ৰকাৰৰ— সমবিভাগ আৰু বিষম বিভাগ। সমবিভাগৰ বিষয়ে এই শ্লোকত আলোচনা কৰা হৈছে।

যেতিয়া পিতাই স্বেচ্ছায় সকলো পুত্ৰকেই সমানভাৱে ধন ভাগ কৰি দিয়ে, তেতিয়া (তেওঁৰ) পত্নীসকলকো সমান অংশ দিব। সেইসকল পত্নীকহে দিব যিয়ে স্বামী অথবা শহুৰৰ (father-in-law) পৰা কোনো স্ত্রীধন পোৱা নাই। (যদি তেওঁলোকে স্ত্রীধন পাইছে, তেনেহ'লে পুত্ৰসকলে পোৱা ধনৰ আধা তেওঁলোকে পাব।)



জানি থোৱা ভাল

স্ত্রীধন (Women's property) ঃ আচার্য্য যাজ্ঞৱল্ক্যই দায়ভাগৰ শেষৰ ফালে স্ত্রীধনৰ ওপৰত ব্যাখ্যা আগবঢ়াইছে। স্ত্রীধন মানে স্ত্রীসম্বন্ধী ধন। স্মৃতি শাস্ত্রত স্ত্রীধনৰ অর্থ হৈছে স্ত্রীসকলৰ নিজা ধন। যাজ্ঞৱল্ক্যই মুঠ ৯ প্ৰকাৰৰ স্ত্রীধনৰ কথা উল্লেখ কৰিছে— পিতৃমাতৃপতি ভ্রাতৃদত্তম্, অধ্যাগ্নুপাগত, আধিবেদনিক, বন্ধুদত্ত, শুল্ক, অধ্যাৱহনিক, অন্বাধেয়ক, পাদবন্দনিক আৰু সৌদায়িক। (ইয়াৰ বিস্তৃত বিৱৰণ পিছত কৰা হৈছে।)

মূলপাঠ ঃ শত্রুস্যানীহমানস্য কিঞ্চিদ্দত্ত্বা পৃথকক্রিয়া।
ন্যূনাধিকবিভক্তানাং ধর্য্যঃ পিতৃকৃতঃ স্মৃতঃ ।। ৩।।

অসমীয়া অনুবাদ ঃ পুত্ৰ যদি উপার্জনজ্ঞম হয় তথা পিতাৰ ধন গ্রহণত যদি ইচ্ছুক নহয়, তথাপিও তেওঁক কিছু ধন দান কৰি তেওঁক দায়ভাগ কৰি দিব। এই বিষম বিভাগ যদি ধর্মানুসাৰী হয়, তেনেহ'লে সেই পিতৃকৃত বিভাগক স্মৃতিশাস্ত্রই বাধা নিদিয়ে।

মূলপাঠ ঃ বিভজেৱণ্ সুতাঃ পিত্রোৱ্দ্ধং ৱিকৃথমৃণং সমম্।
মাতুর্দুহিতৰঃ শেষমৃণাৎ তাভ্য ঋতে২ন্বয়।। ৪।।

অসমীয়া অনুবাদ ঃ মাতা-পিতাৰ মৃত্যুৰ পিছত পুত্ৰসকলে পিতাৰ ধন আৰু ঋণ সমানভাৱে ভাগ কৰি নিব। মাকৰ সম্পত্তি (স্ত্রীধন) তেওঁৰ কন্যাসকলে ভাগ কৰি নিব মাতৃকৃত ঋণ পৰিশোধ কৰাৰ পিছত। যদি কন্যা নাথাকে, তেনেহ'লে পুত্ৰ প্ৰভৃতি বংশধৰসকলে এই ধন লাভ কৰিব।

মূলপাঠ ঃ পিতৃদ্রব্যাবিৱোধেন যদন্যৎ স্বয়মর্জিতম্।
মৈত্রমৌদ্বহিকং চৈৱ দায়াদানাং ন তদ্ ভৱেৎ।। ৫।।
ক্রমাদভ্যাগতং দ্রব্যং হৃতমপ্যুদ্ধৱেত্তু যঃ।

দায়াদেভ্যো ন তদ্ দদ্যাদ্ বিদ্যয়। লব্ধমেৱ চ ।। ৬।।

অসমীয়া অনুবাদ ঃ কি কি সম্পত্তি ভাগ কৰা নাযাব, সেই কথা ইয়াত ব্যক্ত কৰা হৈছে।

মাতাপিতাৰ ধন ব্যয় নকৰাকৈ পুত্রই নিজে যি ধন উপার্জন কৰে, বন্ধুৰ পৰা প্রীতি উপহাৰ হিচাপে যি ধন পায়, তথা বিবাহৰ সময়ত যি ধন পায়, সেইবোৰ সম্পত্তি ভ্রাতৃসকলৰ মাজত বিভাজিত নহয়।

আনহাতে, উত্তৰাধিকাৰী সূত্রে পোৱা কোনো সম্পত্তি যদি আন কোনোৱাই অপহৰণ কৰে তথা সামর্থ্য নথকা কাৰণে যদি পিতৃয়ে তাক উদ্ধাৰ কৰিব নোৱাৰে, পুত্রসকলৰ মাজৰে কোনো এজনে যদি সকলোৰে অনুমতি সাপেক্ষে সেই ধন উদ্ধাৰ কৰে, তেনেহ'লে সেই ধন দায়াদ (দায়ভাগী) সকলে ভাগ কৰিব নোৱাৰে। তাৰোপৰি বিদ্যাৰ দ্বাৰা উপার্জিত ধনো বিভক্ত নহয়।

মূলপাঠ ঃ সামান্যার্থ সমুত্থানে বিভাগস্তু সমঃ স্মৃতঃ।
অনেকপিতৃকানাং তু পিতৃতো ভাগকল্পনা।। ৭।।

অসমীয়া অনুবাদ ঃ অবিভক্ত ভাইসকলে যৌথভাৱে কৃষিবাণিজ্যাদিৰ দ্বাৰা যি ধন লাভ কৰে, সেই ধন সকলোৱে সমানভাৱে ভাগ কৰি ল'ব। (এনেদৰে পিতৃৰ ধন পুত্রসকলৰ মাজত কেনেদৰে ভাগ কৰা হ'ব, তাৰেই আলোচনা কৰা হ'ল। এতিয়া পিতামহৰ (grandfather) ধন পৌত্রসকল (grandsons) ৰ মাজত কেনেদৰে বিভাগ হ'ব, তাৰেই কথা কোৱা হৈছে।) কিন্তু পিতামহৰ ধনৰ ক্ষেত্রত পৌত্রসকলৰ নিজ নিজ পিতৃসকলৰ প্রাপ্য অধিকাৰ অনুসৰি ভাগ ব্যৱস্থা কল্পিত হ'ব। অর্থাৎ পিতাৰ মাধ্যমেৰেহে পিতামহৰ ধন ভাগ কৰা হ'ব, নিজৰ মাধ্যমেৰে নহয়।

মূলপাঠ ঃ ভূর্যা পিতামহোপাত্তা নিৱন্ধো দ্রব্যমের বা।
তত্র স্যাৎ সদৃশং স্বাম্যং পিতুঃ পুত্রস্য চৈৱ হি।। ৮।।

অসমীয়া অনুবাদ ঃ পিতৃয়ে জীৱিতকালত (আগেয়ে উল্লেখ কৰা অনুসৰি) নিজে আর্জিত ধন যেনেদৰে ইচ্ছানুসৰি বিভাগ কৰিব পাৰে, তেনেদৰে পিতামহৰ ধনো পিতৃয়ে নিজ ইচ্ছানুসৰি পুত্রসকলৰ মাজত ভাগ কৰিব নোৱাৰে।

পিতামহৰ দ্বাৰা আর্জিত ভূমি, নিবন্ধ অর্থাৎ পান-তামোলৰ বাগিচা আৰু সোণ আদি দ্রব্যৰ ক্ষেত্রত পিতা আৰু পুত্রৰ সমান অংশ স্বীকাৰ কৰা হয়।

মূলপাঠ ঃ পিতৃভ্যাং য়স্য যদ্দত্তং তৎ তস্যৈৱ ধনং ভৱেৎ।
পিতুৰ্দ্ধৰ্দ্ধং বিভজতাং মাতাপ্যংশং সমং হৱেৎ।। ৯।।

অসমীয়া অনুবাদ ঃ মাতৃ-পিতৃয়ে যি পুত্রক যি ধন পূর্বেই দান কৰি থৈছে, সেই ধন তেওঁৰেই হ'ব। পিতৃৰ মৃত্যুৰ পিছত পুত্রসকলে যেতিয়া সম্পত্তি ভাগ কৰিব, তেতিয়া মাতৃয়েও সমানে অংশ পাব।

মূলপাঠ ঃ অসংস্কৃতাস্তু সংস্কার্য়া ভ্রাতৃভিঃ পূর্ৱসংস্কৃতৈঃ।
ভগিন্যশ্চ নিজাদ্ অংশাদ্ দত্ত্বাংশং তু তুৰীয়কম্।। ১০।।

অসমীয়া অনুবাদ ঃ পিতৃৰ মৃত্যুৰ পিছত যদি কোনো ভ্রাতা অসংস্কৃত হৈ থাকে, তেনেহ'লে আন সংস্কৃত ভাতৃসকলে সমুদায় ধনৰ পৰা খৰচ কৰি উপনয়নাদি সংস্কাৰেৰে সংস্কৃত কৰিব। আনহাতে ভনীসকলৰো বিবাহাদি সংস্কাৰ কৰিব, নিজৰ নিজৰ ধনৰ অংশৰ এক চতুর্থাংশৰ দ্বাৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ দায়ভাগ মানে কি?

.....

.....

প্রশ্ন নং ২ ঃ দায় কেইপ্রকাৰৰ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ কোনজন পুত্রক শ্রেষ্ঠ ভাগ দিয়া হ'ব?

.....

.....

প্রশ্ন নং ৪ ঃ বিভাগ কেইপ্রকাৰৰ কি কি?

.....

.....

প্রশ্ন নং ৫ ঃ মাকৰ সম্পত্তি কোনে লাভ কৰে?

.....

.....

পুত্রৰ বিভাগ ঃ

মূলপাঠ ঃ ঔৰসো ধর্মপত্নীজস্তৎসমঃ পুত্রিকাসুতঃ।
ক্ষেত্রজঃ ক্ষেত্রজাতস্তু সগোত্রেণেতৰেণ বা।। ১১।।
গৃহে প্রচ্ছন্ন উৎপন্নো গূঢ়জস্তু সুতঃ স্মৃতঃ।
কানীনঃ কন্যকাজাতো মাতামহসুতো মতঃ ।। ১২।।
অক্ষতায়াং ক্ষতায়াং ৱা জাতঃ পৌনর্ভৱঃ সূতঃ।
দদ্যান্ মাতা পিতা ৱা যং স পুত্রো দত্তকো ভৱেৎ।। ১৩।।
ক্রীতশ্চ তাভ্যাংবিক্রীতঃ কৃত্রিমঃ স্যাৎ স্বয়ংকৃতঃ।
দত্তাত্মা তু স্বয়ং তু স্বয়ংদত্তো গর্ভে বিন্নঃ সহোঢ়জঃ।। ১৪।।

উৎসৃষ্টো গৃহ্যতে য়স্তু সো২পৰিদ্ধো ভৱেৎ সুতঃ।
পিণ্ডদোংহশহৱশ্চৈযাং পূর্ৱাভাৱে পৱঃ পৱঃ।। ১৫।।

অসমীয়া অনুবাদ ঃ সমান জাতীয় পত্নী (ব্রাহ্মণাদি একে বর্ণৰ পত্নী)ত উৎপন্ন পুত্র আৰু অসমান জাতীয় পত্নী (বিভিন্ন বর্ণৰ পত্নী)ত উৎপন্ন পুত্র (এই সকলোবোৰ 'ঔৰস' পুত্র) সমূহৰ মাজত পিতাৰ ধন বিভাগৰ কথাবোৰ কোৱা হ'ল। এতিয়া মুখ্য পুত্র তথা গৌণ পুত্রৰ মাজত কেনেভাৱে পিতৃধন বিভাজিত হ'ব, তাৰ আভাস দিয়াৰ সময়ত আচার্য্য যাজ্ঞৱল্ক্যই পুত্রৰ স্বৰূপ তথা প্রকাৰ ভেদ উল্লেখ কৰিছে। তেওঁ দ্বাদশ প্রকাৰৰ পুত্রৰ স্বৰূপ ইয়াতে নিৰূপণ কৰিছে।

ধর্মপত্নীৰ গর্ভজাত পুত্র হ'ল 'ঔৰসপুত্র'য়ে এই পুত্রক মুখ্য পুত্র বুলি গণ্য কৰা হয়। ঔৰস পুত্রৰ দৰেই আন এক প্রকাৰৰ পুত্র হ'ল 'পুত্রিকাপুত্র'(২)। অপুত্রক ব্যক্তি কন্যা সম্প্রদান কালত যদি একধৰণৰ চুক্তি কৰা হয় যে এই কন্যাৰ গর্ভত যি পুত্র জন্মিব, সেই পুত্র আমাৰ পুত্রৰ দৰে হ'ব অর্থাৎ আমাৰ শ্রাদ্ধাধিকাৰী হ'ব। সেই ক্ষেত্রত সেই কন্যাৰ পুত্রকে 'পুত্রিকাপুত্র' বুলি কোৱা হয়। অথবা পুত্রৰ অভাবত কন্যাকেই পুত্র বুলি গণ্য কৰা হয়। এই কাৰণে পুত্রতুল্য কন্যাকো পুত্রিকাপুত্র বোলে (পুত্রিকৈৰ সুতঃ সো২পি ঔৰসসম এৱ)। অপুত্রক ব্যক্তিৰ অনুমতি সাপেক্ষে তেওঁৰ সবর্ণা পত্নীৰ দেওৰ অথবা অন্য ব্যক্তিৰ দ্বাৰা উৎপন্ন পুত্র হৈছে 'ক্ষেত্রজ পুত্র' (৩)। স্বামী গৃহত গোপনে সবর্ণ পুৰুষৰ দ্বাৰা উৎপন্ন পুত্র হ'ল 'গূঢ়জ পুত্র' (৪)। পিতৃগৃহত কন্যা অৱস্থাত গোপনে সবর্ণ ব্যক্তিৰ দ্বাৰা জাত পুত্রক 'কানীন পুত্র' (৫) বোলে। এই পুত্রক মাতামহৰ পুত্র বুলি গণ্য কৰা হয়। স্বামী পৰিত্যক্ত অথবা স্বামীৰ মৃত্যুত নাৰী যদি অন্য পুৰুষৰ পত্নীৰ স্বীকাৰ কৰে, তেনেহ'লে তেওঁক কোৱা হ'ব 'পুনর্ভূস্ত্রী'। এই পুনর্ভূস্ত্রীৰ গর্ভত জাত পুত্র হ'ল 'পৌণর্ভৱ' (৬)। মাকে যদি স্বামীৰ প্রবাসকালত তেওঁৰ অনুমতি সাপেক্ষে অথবা স্বামীৰ মৃত্যুৰ পিছত পুত্রক সৱর্ণব্যক্তিৰ হাতত দান কৰে অথবা পিতামাতা উভয়ে মিলিতভাৱে সৱর্ণব্যক্তিক নিজ পুত্রক দান কৰে, তেনেহ'লে সেই পুত্রক কোৱা হ'ব 'দত্তকপুত্র' (৭)। এওঁক দত্রিম পুত্রও বোলে। মাতা আৰু পিতাই মিলিতভাৱে অথবা কেৱল মাতা নাইবা কেৱল পিতাই যি পুত্রক সৱর্ণব্যক্তিৰ ওচৰত বিক্রী কৰে, তেওঁ হ'ল 'ক্রীতপুত্র' (৮)। একমাত্র পুত্র তথা জ্যেষ্ঠপুত্রক বিক্রী কৰা নিষিদ্ধ। তথা বিপদগ্রস্ত নহ'লে পুত্র বিক্রী কৰা নিষিদ্ধ। কোনো পুত্র অভিলাস কৰা ব্যক্তিয়ে, আন কোনো ব্যক্তিক ধন, ভূমি আদিৰ লোভ দেখুৱাই মাতৃ-পিতৃহীন কোনো পুত্রক নিজৰ পুত্রৰূপে গ্রহণ কৰে, তেনে পুত্রক কোৱা হ'ব 'কৃত্রিম পুত্র' (৯)। মাতা-পিতাহীন অথবা মাতা-পিতাৰ দ্বাৰা পৰিত্যক্ত কোনো পুত্রই যদি নিজে কাৰোবাৰ পুত্রত্ব স্বীকাৰ কৰে, তেনেহ'লে তেওঁক কোৱা হ'ব

'দত্তাত্মা পুত্ৰ' (১০)। কোনো গৰ্ভৱতী নাৰীক জানিয়েই হওক বা নেজানিয়ে হওক কোনোবাই যদি বিবাহ কৰে, তেনেহ'লে বিবাহৰ পিছত যি পুত্ৰ জন্মে তেওঁক 'সহোঢ়জ পুত্ৰ' (১১) বোলে। সেই পুত্ৰ বিবাহকাৰী ব্যক্তিৰেই পুত্ৰ বুলি গণ্য কৰা হ'ব। মাতা-পিতাৰ দ্বাৰা পৰিত্যক্ত যি পুত্ৰক অন্য কোনো সৱৰ্ণ ব্যক্তিয়ে পুত্ৰৰূপে গ্ৰহণ কৰিলে, তেওঁ হ'ব 'অপৰিদ্ধ পুত্ৰ' (১২)। সেই পুত্ৰ গ্ৰহীতাৰ পুত্ৰ হিচাপেই গণ্য হ'ব।

উক্ত দ্বাদশ প্ৰকাৰৰ পুত্ৰৰ মাজত পূৰ্বে পূৰ্বে উল্লেখিত পুত্ৰৰ অভাৱত পিছৰ উল্লিখিত পুত্ৰই পিতৃধন লাভ কৰিব। তথা পিতাৰ পিণ্ডদানৰ অধিকাৰী হ'ব।

মূলপাঠ ঃ পত্নী দুহিতৰশ্চৈৱ পিতৰৌ ভ্ৰাতৰস্তথা।
তৎসুতা গোত্ৰজা বন্ধুশিষ্যসব্ৰহ্মচাৰিণঃ।। ১৬।।
এষামভাৱে পূৰ্বস্য ধনভাগুত্তৰোত্তৰঃ।
স্ৱর্যাতস্য হ্যপুত্ৰস্য সৰ্ৱবর্ণেষু অয়ং বিধিঃ।। ১৭।।

অসমীয়া অনুবাদ ঃ পুত্ৰৰ অভাৱত কেনেদৰে দায়ভাগ হ'ব তাৰ বিধান দিয়া হৈছে।

অপুত্ৰক ব্যক্তি পৰলোক গমন কৰিলে, তেওঁৰ সম্পত্তিৰ অধিকাৰী হ'ব যথাক্ৰমে পত্নী, তেওঁৰ অভাবত দুহিতা, তদভাৱে পিতা-মাতা, তদভাবে ভ্ৰাতৃগণ, তদভাৱে ভ্ৰাতৃপুত্ৰগণ, তদভাবে স্বগোত্ৰজাত আন কোনো ব্যক্তি, তদভাৱে বন্ধুসকল, তদভাৱে সৎশিষ্য, তদভাৱে সহাধ্যায়ী (সব্ৰহ্মচাৰী) অৰ্থাৎ যাৰ সৈতে একেলগে একেজন গুৰুৰ তলত অধ্যয়ন হৈছিল। এওঁলোকৰ ভিতৰত পূৰ্বজনৰ অভাৱত পিছৰ জনৰ ধন লাভ হয়। সকলো বৰ্ণৰ ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য।

সংসৃষ্টী (Owner of Mixed Property) ঃ

মূলপাঠ ঃ সংসৃষ্টিনস্তু সংসৃষ্টী সোদৰস্য তু সোদৰঃ।
দদ্যাচ্চাপহৰেচ্চাংশং জাতস্য চ মৃতস্য চ।। ১৮।।

অসমীয়া অনুবাদ ঃ ধনবিভাগ হৈ যোৱাৰ পিছত কোনো ব্যক্তিয়ে যদি নিজ ধনক পিতা, ভ্ৰাতা বা পিতৃব্য (খুড়া)ৰ সৈতে মিশ্ৰিত কৰি অবিভক্তভাৱে ব্যৱহাৰ কৰে, সেই ধনক সংসৃষ্ট ধন বোলে। এই সংসৃষ্ট বা মিশ্ৰিত ধনৰ অধিকাৰীক কোৱা হয় সংসৃষ্টী।

সংসৃষ্ট ধনৰ অধিকাৰী ব্যক্তিৰ মৃত্যু হ'লে আন সংসৃষ্টীয়ে ধনৰ অংশ (তেওঁৰ পুত্ৰক দিব। বিভাগৰ সময়ত পুত্ৰ নাথাকিলে) বিভাগৰ পিছত জন্মা পুত্ৰক দিব। (এনেকুৱা পুত্ৰৰ অভাৱত সেই ধন নিজে গ্ৰহণ কৰিব)। আৰু সহোদৰ সংসৃষ্টীৰ ধন সহোদৰ সংসৃষ্টীৰ অনুজাত পুত্ৰক দিব। সংসৃষ্টী হ'লেও ভিন্ন উদৰৰ ব্যক্তিক এই ধন দিয়া নাযাব।

দায়ভাগৰ অযোগ্য ব্যক্তি ঃ

মূলপাঠ ঃ ক্লীৱো২থ পতিতস্তজ্জঃ পঙ্গুৰুন্মত্তকো জড়।
অন্ধো দুশ্চিকিৎস্যৱোগাদ্যা ভর্ত্তব্যা স্যুর্নিৰংশকাঃ।। ১৯।।
ঔৰসাঃ ক্ষেত্রজাস্তেষাং নির্দোষা ভাগহাৰিণঃ।
সুতাশ্চৈষাং প্রভর্ত্তব্যাঃ যাৱদ্ৱৈ ভর্ত্তৃসাৎকৃতাঃ।। ২০।।
অপুত্রা য়োষিতশ্চৈষাং ভর্ত্তব্যাঃ সাদুবৃত্তয়ঃ।
নির্ৱাস্যাঃ ব্যভিচাৰিণ্যঃ প্রতিকূলাস্তথৈৱ চ।। ২১।।

অসমীয়া অনুবাদ ঃ ক্লীৱব্যক্তি ((impotent person, তৃতীয় লিঙ্গৰ ব্যক্তি), ব্রহ্মহত্যাদি পাপকাৰী, সেই পাপীৰ পুত্র, পঙ্গু, উন্মত্ত, জড়, অন্ধ, দুৰাৰোগ্যযুক্ত— এই সকল ব্যক্তিয়ে সম্পত্তিৰ অংশ নাপাব। কিন্তু তেওঁলোকৰ ভৰণ-পোষণ আত্মীয়ই কৰিব লাগিব।

এই ব্যক্তিসকলৰ ঔৰস তথা ক্ষেত্রজ পুত্রসকল যদি দোষহীন হয়, তেনেহ'লে সম্পত্তিৰ অংশ তেওঁলোকে পাব। এওঁলোকৰ কন্যা সকলকো বিবাহ পর্যন্ত ভৰণ-পোষণ দিব লাগিব।

এওঁলোকৰ পুত্রহীন স্ত্রীসকল, যিবোৰ সৎচৰিত্রৱতী, তেওঁলোকৰো ভৰণ-পোষণৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু যদি তেওঁলোক (পত্নীসকল) ব্যভিচাৰিনী তথা প্রতিকূল আচৰণ যুক্তা হয়, তেনেহ'লে তেওঁলোকক নির্বাসন দিয়া হ'ব।

স্ত্রীধন বিভাগ ঃ

মূলপাঠ ঃ পিতৃ-মাতৃ-পতি ভ্রাতৃদত্তমধ্যগ্ন্যুপাগতম্।
আধিবেদানিকাদ্যঞ্চ স্ত্রীধনং পৰিকীর্ত্তিতম্।। ২২।।
বন্ধুদত্তং ততাশুল্কমন্ৱাধেয়কমেৱ বা।
অতীতায়াম প্রজসি ৱান্ধৱাস্তদৱাপ্নুয়ুঃ।। ২৩।।

অসমীয়া অনুবাদ ঃ 'স্ত্রীয়াঃ ধনম্' স্ত্রীধনম্ এই বুৎপত্তি অনুসৰি 'স্ত্রীধন' বুলি ক'লে স্ত্রীসম্বন্ধী ধনকে বুজায়। স্মৃতিশাস্ত্রৰ মতে স্ত্রীসকলৰ নিজস্ব ধন। যাজ্ঞৱল্ক্যৰ মতে এই স্ত্রীধন ৯ প্রকাৰৰ। এইবোৰ ধন হৈছে—

পিতা-মাতা-পতি-ভাতৃৰ পৰা স্নেহবশতঃ স্ত্রীসকলে যি ধন লাভ কৰে (পিতৃ-মাতৃ-পতি-ভাতৃ প্রদত্ত) (১)। বিবাহকালত গার্হপত্য অগ্নিক সাক্ষী কৰি কন্যাৰ মাতুল প্রভৃতি আত্মীয়ই যি ধন দিয়ে (অধ্যগ্ন্যপাগত) (২)। স্বামীয়ে দ্বিতীয়বাৰ বিবাহকালত তেওঁৰ পূর্বপত্নীক সন্তুষ্ট কৰাৰ বাবে যি ধন দিয়ে (আধিবেদনিক) (৩)। পিতা-মাতাৰ সম্পর্কীয়ই কন্যাক যি ধন দিয়ে (বন্ধুদত্ত) (৪)। বিবাহৰ প্রাক্কালত বৰপক্ষই কন্যাক শুল্ক স্বৰূপে যি ধন দিয়ে (শুল্ক) (৫)। (পিত্রালয়ৰ পৰা যাত্রাকালত যি ধন নববিবাহিতা কন্যাই পায়

(অধ্যাবহনিক) (৬) বিবাহৰ পিছত স্বামীকুলত লাভ কৰা ধন (অন্বাধেয়ক) (৭)। (শহুৰ বা শাহুৰে প্ৰীতি পূৰ্বক নৱবধূক যি ধন দিয়ে (পাদবন্দনিক) (৮)। বিবাহিত বা অবিবাহিত কন্যাই পতিগৃহ অথবা পিতৃগৃহত ভ্ৰাতা বা পিতামাতাৰ পৰা যি ধন পায় (সৌদায়িক) (৯)।

সন্তানহীনা তথা দুহিতা (জীয়ৰী), দৌহিত্ৰী (নাতি-নাতিনী) নোহোৱা নাৰীৰ এই স্ত্ৰীধন স্বামী আদি আন আত্মীয়সকলে লাভ কৰিব।

মূলপাঠ ঃ অপ্রজঃ স্ত্রীধনং ভর্ত্তুর্ব্রাহ্মাদিষু চতুর্ষু অপি।
দুহিতৃণাং প্রসুতা চেৎ শেষেষুপিতৃগামি তৎ।। ২৪।।

অসমীয়া অনুবাদ ঃ স্মৃতি স্বীকৃত আঠ প্ৰকাৰৰ বিবাহৰৰ ভিতৰত ব্ৰাহ্ম, দৈৱ, আৰ্ষ, প্ৰাজাপত্য— এই চাৰি প্ৰকাৰে বিবাহিতা সন্তানহীনা নাৰীৰ মৃত্যুৰ পিছত তেওঁৰ স্ত্ৰীধন স্বামী নতুবা স্বামীৰ নিকটাত্মীয়ই পাব। আনহাতে আসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ— এই চাৰিপ্ৰকাৰৰ বিবাহৰ দ্বাৰা বিবাহিত মহিলাৰ এই স্ত্ৰীধন (মৃত্যুৰ পিছত) সেই নাৰীৰ মাতা, তদভাবে পিতাই পাব। পিতা-মাতাৰ অভাবত নিকটাত্মীয়ই পাব। সেই নাৰীৰ কন্যা কোনোবা অপত্যবতী অৰ্থাৎ সন্তানযুক্তা হ'লে, সকলো বিবাহৰ ক্ষেত্ৰতেই, সেই স্ত্ৰীধন কন্যাই পাব।

মূলপাঠ ঃ বিভাগনিহ্নৱে জ্ঞাতিবন্ধুসাক্ষ্যভিলেখিতৈঃ।
বিভাগভাৱনা ক্ষেয়া গৃহক্ষেত্রৈশ্চ যৌতকৈঃ।। ২৫।।

অসমীয়া অনুবাদ ঃ ধনবিভাগৰ বিষয়ত যদি কোনো 'নিহ্নৱ' অৰ্থাৎ অপলাপ ঘটে, তেনেহ'লে জ্ঞাতি, আত্মীয়, সাক্ষী তথা লিখিত দলিলৰ দ্বাৰা নিৰ্ণয় কৰা হ'ব। এই ক্ষেত্ৰত 'যৌতকৈ' অৰ্থাৎ পৃথককৃত গৃহ, খেতিপথাৰ, পৃথক খেতি কাৰ্য তথা পৃথক পঞ্চমহাযজ্ঞ অনুষ্ঠানৰ সহায় লোৱা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ পুত্ৰৰ কিমানটা প্ৰকাৰ পোৱা যায়?

.....

.....

প্ৰশ্ন নং ৭ ঃ আটাইতকৈ শ্ৰেষ্ঠ পুত্ৰ কোনটো?

.....

.....

প্ৰশ্ন নং ৮ ঃ অপুত্ৰক ব্যক্তিৰ মৃত্যুত সম্পত্তি প্ৰথমে কোনে পায়?

.....

.....

প্ৰশ্ন নং ৯ ঃ 'সংসৃষ্টী' মানে কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ 'স্ত্ৰীধন' মানে কি?

.....

.....

১১.৪ দায়ভাগ ঃ সংক্ষিপ্ত আলোচনা

সাধাৰণ অৰ্থত 'দায়' মানে হৈছে কৰ্তব্য। কিন্তু স্মৃতিশাস্ত্ৰত এই শব্দটোক পাৰিভাষিক অৰ্থত ব্যৱহাৰ কৰা হৈছে। 'দায়' হ'ল সেই সম্পত্তি যি ধনস্বামীৰ সৈতে সম্বন্ধবশতঃ অন্য ব্যক্তিৰ নিজস্ব হৈ যায়। আচাৰ্য্য নাৰদৰ মতে 'দায়' শব্দৰ অৰ্থ হৈছে পিতৃধন, তথা সেই ধন যেতিয়া পুত্ৰসমূহৰ মাজত বিভাজিত হয়, তাকেই কোৱা হয় দায়ভাগ। একেবাৰে ক'বলৈ গ'লে পূৰ্বধনস্বামীৰ মৃত্যুৰ পিছত তৎসম্বন্ধী অন্য ব্যক্তিৰ ওপৰত সেই ধনৰ স্বত্ব উৎপন্ন হ'লেই, সেয়াই হৈছে দায়।

এই দায় হৈছে দুই প্ৰকাৰৰ— অপ্ৰতিবন্ধ তথা সপ্ৰতিবন্ধ। পুত্ৰ আৰু পৌত্ৰই নিজৰ পুত্ৰত্ব তথা পৌত্ৰত্ব স্বত্বৰ দ্বাৰা পিতৃধন আৰু পিতামহৰ ধন লাভ কৰে। এই দায়প্ৰাপ্তিত কোনো বাধা নাথাকে কাৰণে, এই দায়ক অপ্ৰতিবন্ধ দায় বুলি কোৱা হয়। কিন্তু পিতৃব্য (খুড়া, জেঠা আদি) তথা ভাতৃ আদিৰ পুত্ৰ নাথাকিলে, তেওঁলোকৰ মৃত্যুৰ পিছত ভাতৃপুত্ৰ, ভ্ৰাতা আদিৰ যি ধনপ্ৰাপ্তি ঘটে, সেয়াই হৈছে সপ্ৰতিবন্ধ দায়। এই দ্বিতীয় বিধ দায়ৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে দায় গ্ৰহণ সম্ভৱ নহয়।

আচাৰ্য্য যাজ্ঞৱল্ক্যই দায়ভাগ প্ৰকৰণত দায়ৰ স্বৰূপ, তথা তাৰ বিভাগ সম্পৰ্কে বিস্তাৰিত আলোচনা আগবঢ়াইছে।

পিতৃয়ে যদি নিজৰ সম্পত্তি ভাগ কৰি দিবলৈ ইচ্ছা কৰে, তেনেহ'লে তেওঁ নিজ ইচ্ছানুসাৰে সেইটো কৰিব পাৰে। তেওঁ জ্যেষ্ঠ পুত্ৰক শ্ৰেষ্ঠ ভাগ দিব পাৰে, অথবা সকলোকে সমান অংশও দিব পাৰে। পুত্ৰসকলক সমান অংশ দিলে পত্নীকো সমান অংশ দিব লাগিব যদিহে সেই পত্নীৰ কোনো স্ত্ৰীধন নাথাকে। যদি পত্নীয়ে পূৰ্বেই স্ত্ৰীধন পাইছে, তেনেহ'লে তেওঁ পুত্ৰসকলৰ আধা অংশ লাভ কৰিব। যদি জ্যেষ্ঠ পুত্ৰ উপাৰ্জনক্ষম হয় তথা তেওঁ যদি পিতৃধনত অনিচ্ছুক হয়, তেনেহ'লে তেওঁক পিতাই সামান্য কিছু অংশ ধন দান কৰি তেওঁক পৃথক কৰি দিব। পুত্ৰসকলৰ মাজত পিতাৰ ধনবিভাগ শাস্ত্ৰসন্মত তথা ধৰ্মসন্মত হোৱা উচিত। ধনবিভাগৰ পূৰ্বেই যদি পিতৃৰ মৃত্যু হয়, তেনেহ'লে পুত্ৰসকলে পিতৃধন তথা পিতৃঋণ সমানভাৱে ভাগ কৰি নিব। মাতৃৰ মৃত্যুৰ পিছত তেওঁৰ কন্যাসকলে স্ত্ৰীধন সমভাবে ভাগ কৰি ল'ব, কিন্তু তাৰ আগেয়ে মাতৃকৃত ঋণ পৰিশোধ কৰিব লাগিব। কন্যাৰ অভাবত স্ত্ৰীধনৰ ঋণৰ অৱশিষ্ট অংশ বংশধৰ পুত্ৰ তথা পৌত্ৰগণে

গ্ৰহণ কৰিব। পুত্ৰসকলৰ স্ব-উপাৰ্জিত ধনত ভাতৃসকলৰ অধিকাৰ নাথাকিব। যৌথভাবে ভাতৃসকলে যি কৃষি-বাণিজ্য কৰিব তাৰ লভ্যাংশ সকলোৱে সমভাৱে ভাগ কৰি ল'ব। পিতামহৰ উপাৰ্জিত ভূসম্পত্তি তথা স্বৰ্ণ ইত্যাদিত পিতা আৰু পুত্ৰৰ সমান অধিকাৰ থাকিব।

পুত্ৰসকলৰ মাজত ধন বিভাগ হোৱাৰ পিছত সবৰ্ণ ভাৰ্য্যাত উৎপন্ন পুত্ৰসন্তানেও ধনৰ ভাগ লাভ কৰিব। বিভাগৰ পূৰ্বে মাতা-পিতাই স্নেহবশতঃ যাক যি দিছে, সেয়া তেওঁৰেই হৈ থাকিব। বিভাজনৰ পিছত জন্ম হোৱা পুত্ৰই যদিও পিতামাতাৰ সকলো ধনৰ অধিকাৰী হয়, তথাপি অন্য পুত্ৰ-কন্যাক পূৰ্বে প্ৰদত্ত ধন তেওঁ ঘূৰাই নাপাব। পিতৃৰ মৃত্যুৰ পিছত ধনবিভাগ হ'লে ভাতৃসকলে উপনয়নাদি সংস্কাৰ বিহীন ভ্ৰাতাৰ সংস্কাৰৰ ব্যৱস্থা কৰাৰ লগতে অবিবাহিত ভনীয়েকৰ বিবাহৰ ব্যৱস্থা কৰিব।

সবৰ্ণাজাত দ্বাদশ প্ৰকাৰৰ পুত্ৰই পূৰ্বৰ অভাবত পিছৰ পুত্ৰসকলে ক্ৰমান্বয়ে ধন লাভ কৰিব। অপুত্ৰক ব্যক্তিৰ মৃত্যুৰ পিছত তেওঁৰ সম্পত্তি প্ৰথমতে পত্নীয়ে পাব. পত্নীৰ অভাবত কন্যা, কন্যাৰ অভাৱত পিতা-মাতা, এওঁলোকৰ অভাৱত ভাতৃসকলে, তেওঁলোকৰ অভাৱত বন্ধুসকলে (নিজৰ, পিতা, মাতাৰ আত্মীয়), তেওঁলোকৰ অভাৱত সৎশিষ্যই আৰু তেওঁৰ অভাৱত সহপাঠীয়ে এই ধন লাভ কৰিব। সকলো বৰ্ণৰ ক্ষেত্ৰতে এই নিয়ম প্ৰযোজ্য।

ধন বিভাজনৰ পিছতো যদি দায়াদসকলে পৰস্পৰৰ সৈতে মিলিত হৈ একেলগে সেই ধন ব্যৱহাৰ কৰে, তেনেহ'লে তাক সংসৃষ্ট ধন বোলে। সংসৃষ্টীৰ মৃত্যু হ'লে তেওঁৰ অংশ অন্য সংসৃষ্টীয়ে তেওঁৰ পুত্ৰক দিব। পুত্ৰৰ অভাবত আন সংসৃষ্টীসকলেই সেই ধন গ্ৰহণ কৰিব।

নপুংসক, ব্ৰহ্মহন্তাৰ পুত্ৰ, পঙ্গু, উন্মত্ত, জড়, অন্ধ, দুৰাৰোগ্য ব্যাধিগ্ৰস্ত, আশ্ৰমত্যাগী, পিতৃবিদ্বেষী — এইবোৰ ঔৰস পুত্ৰ হ'লেও পিতৃধনৰ ভাগ নাপাব। তথাপি অন্যান্য ভাতৃসকলে এওঁলোকৰ ভৰণ-পোষণৰ দায়িত্ব ল'ব। এওঁলোকৰ কন্যাসকলৰো বিবাহৰ পূৰ্বলৈ ভৰণ-পোষণৰ দায়িত্ব ল'ব লাগিব। আনকি তেওঁলোকৰ স্ত্ৰীসকলৰো, যিসকল ব্যভিচাৰিণী নহয়, দায়িত্ব ল'ব লাগিব।

যাজ্ঞৱল্ক্যই স্ত্ৰীধনৰ বিষয়েও আলোচনা আগবঢ়াইছে। স্ত্ৰীসকলৰ নিজস্ব ধনেই হৈছে 'স্ত্ৰীধন'। এই ধন মুঠ ৯ প্ৰকাৰেৰে তেওঁলোকে লাভকৰে। এই স্ত্ৰীধন সাধাৰণতে তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ কন্যা-নাতিনী আদিয়ে লাভ কৰে। সন্তানহীন স্ত্ৰীৰ স্ত্ৰীধন তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ স্বামী অথবা আত্মীয়ই লাভ কৰে। কিছুমান ক্ষেত্ৰত সেই স্ত্ৰীৰ মাতা-পিতা, নিকটাত্মীয় তথা সন্তানসম্ভৱা কন্যায়ো লাভ কৰে।

ধনৰ বিভাগ বিষয়ত কাৰোবাৰ যদি আপত্তি আহে নতুবা কোনোবাই যদি এই বিভাগ অস্বীকাৰ কৰে, তেনেহ'লে জ্ঞাতিসকলৰ সাক্ষীসকলে যি ক'ব তাৰ দ্বাৰা, লেখ্য পত্ৰৰ দ্বাৰা বিভাগ বিষয়ে সন্দেহ নিৰসন কৰা হ'ব। কৃষি আদি কামৰ পৃথক প্ৰবৰ্তন আদিৰ দ্বাৰায়ো বিভাগ নিৰ্ণয় সম্ভৱপৰ হয়।



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- প্ৰাচীন ভাৰতীয় বিচাৰ প্ৰক্ৰিয়া সম্বন্ধে অৱগত হ'ব পাৰিলে।
- বিবাদৰ বিষয় হিচাপে দায়ভাগৰ লগত চিনাকি হ'ল।
- 'দায়' শব্দ 'তথা' 'ভাগ' সম্বন্ধে জ্ঞান লাভ কৰিলে।
- পিতৃ সম্পত্তিৰ বিভাজন কেনেকৈ হয়, সেই সম্পৰ্কে জানিব পাৰিলে।
- পিতৃৰ অৱৰ্তমানত কোনে কি অংশ লাভ কৰে, জানিব পাৰিলে।
- পুত্ৰৰ প্ৰকাৰ, স্ত্ৰীধন, সংসৃষ্টি আদিৰ লগত চিনাকি হ'ল।



১১.৬ অধিক জানিবলৈ

১) বসু (ন্যায়তীৰ্থ), সুমিতা, (১৪০৭ সাল), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, কোলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) ঝা, (ড°) শশিনাথ (সম্পাদিত), (২০০২), *যাজ্ঞৱল্ক্যসংহিতা,* ব্যৱহাৰ-অধ্যায়, দিল্লী ঃ ভাৰতীয় বিদ্যা প্ৰকাশন।

৩) Panda, (Dr.) R. K. (ed.), (2011). *Yajnavalkya-Smriti,* Delhi : Bharatiya Kala Prakashan.



১১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পিতৃৰ সম্পত্ৰি বিভাজন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দায় দুই প্ৰকাৰৰ— অপ্ৰবিদ্ধ আৰু সপ্ৰতিবন্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ জ্যেষ্ঠ পুত্ৰক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দুই প্ৰকাৰৰ— সম বিভাগ আৰু বিষম বিভাগ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তেওঁৰ কন্যাই।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ দ্বাদশ প্ৰকাৰ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ঔৰস পুত্ৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ তেওঁৰ পত্নীয়ে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মিশ্ৰিত ধনৰ অধিকাৰী।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ স্ত্ৰীসম্বন্ধীয় ধন।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'দায়ভাগ' বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ দায়ভাগত পত্নীৰ অংশ কিমান?

প্ৰশ্ন ৩ ঃ বিভাগৰ পূৰ্বে দিয়া ধন কোনে লাভ কৰিব?

প্ৰশ্ন ৪ ঃ 'পুত্ৰিকাপুত্ৰ' কাক বোলে?

প্ৰশ্ন ৫ ঃ দায়ভাগৰ অযোগ্য ব্যক্তি এজনৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ কি কি সম্পত্তি বিভাজিত নহয়?

প্ৰশ্ন ২ ঃ পিতামহৰ ধন কেনেকৈ বিভাগ কৰা হয়?

প্ৰশ্ন ৩ ঃ অসংস্কৃত ভ্ৰাতৃৰ ব্যৱস্থা কি?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ পিতৃয়ে কৰা দায়বিভাগ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পুত্ৰৰ লক্ষণ তথা প্ৰকাৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ স্ত্ৰীধন সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ কাৰ কাৰ ক্ষেত্ৰত দায়ভাগ কৰা নাযাব, চমুকৈ লিখক।

প্ৰশ্ন ৫ ঃ অপুত্ৰৰ পিতৃৰ সম্পত্তি কেনেদৰে বিভাগ কৰা হয়? আলোচনা কৰক।

*** ***** ***